

## ৭.১০ অধিক জানিবলৈ

১) Ahuja. Ram (2001) : Research Methods, Rawat Publications, New Delhi.

২) Chattopadhyay, Krichnadas & Sudarshana Sen (2013) : Rudiments of Social Research, Levant Books, Kolkata.

৩) Kothari, C.R. (2004) : Research Metholodology-Method and Technics, New Age International (P) Ltd, New Delhi

## ৭.১১ অগ্রগতিৰ নিৰীক্ষণৰ উত্তৰ

**১নং প্ৰশ্নৰ উত্তৰ ঃ** সৰল ভাষাত কবলৈ গলে গৱেষণাৰ উদ্দেশ্যৰে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিবলৈ দুজন ব্যক্তিৰ মাজত মৌখিক মত বিনিময় হৈছে সাক্ষাৎকাৰ। সাক্ষাৎকাৰ গ্ৰহণ কৰোতাই সাক্ষাৎকাৰ লোৱাজনক প্ৰশ্ন সুধি তথ্য সংগ্ৰহ কৰে। সেইবাবে সাক্ষাৎাৰ হৈছে গৱেষণাৰ ব্যক্তিগত আৰু পোণপটীয়া প্ৰকাৰ। গুড এণ্ড হাটৰ মতে, সাক্ষাৎকাৰ হৈছে অনুসন্ধানকাৰী বা গৱেষক আৰু সাক্ষাৎকাৰ দাতাৰ মাজৰ মুখামুখি মত বিনিময় বা বাৰ্তালাপ।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** সাক্ষাৎকাৰৰ দুটা প্ৰধান উদ্দেশ্য হৈছে- ১) সমাজৰ প্ৰচলিত কোনো সমস্যাৰ বিষয়ে তথ্য সংগ্ৰহ কৰা আৰু ২) সত্য, প্ৰকৃত আৰু প্ৰাথমিক জ্ঞানৰ এক উৎস সৃষ্টি কৰা।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** সাক্ষাৎকাৰক তিনিটা প্ৰধান ভাগ বিভক্ত কৰিব পাৰি-

১. সংগঠিত সাক্ষাৎকাৰ, ২. অসংগঠিত সাক্ষাৎকাৰ, ৩. অৰ্ধ-সংগঠিত সাক্ষাৎকাৰ

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** সাধাৰণতে পৰিমাণ সাক্ষাৎকাৰৰ ক্ষেত্ৰত সংগঠিত পদ্ধতি ব্যৱহাৰ কৰা হয়। চাৰ্ভে গৱেষণাত প্ৰশ্নাৱলীৰ ৰূপত ইয়াক দেখা পোৱা যায়। সৰল ভাষাত পৰিসংখ্যাগত জৰীপৰ বাবে তথ্য সংগ্ৰহৰ এক পদ্ধতি হৈছে সংগঠিত সাক্ষাৎকাৰ। সীমিত বিকল্পৰপ্ৰশ্ন আৰু মুক্ত পৰিসৰৰ প্ৰশ্ন এই দুইধৰণৰ প্ৰশ্ন সাক্ষাৎকাৰদাতাক সোধাৰ লগতে ৰেকৰ্ড কৰা হয়। এই উদ্দেশ্য পূৰণ কৰিবলৈ গৱেষকে এক প্ৰশ্নাৱলী প্ৰস্তুত কৰি প্ৰতিজন সাক্ষাৎকাৰদাতাক একেধৰণে একেবোৰ প্ৰশ্ন সোধা হয়।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** অসংগঠিত সাক্ষাৎকাৰ সাধাৰণতে গুণগত গৱেষণাৰ ক্ষেত্ৰত গ্ৰহণ কৰা হয়। অসংগঠিত সাক্ষাৎকাৰত প্ৰশ্নসমূহ পূৰ্ব নিৰ্ধাৰিত নহয়। সাধাৰণতে প্ৰয়োজন অনুসৰি সাক্ষাৎকাৰ লওতাই সাক্ষাৎতাৰদাতাক মুক্ত বিকল্পৰ প্ৰশ্ন সোধে। এয়া সংগঠিত সাক্ষাৎকাৰৰ সম্পূৰ্ণ বিপৰীত আৰু ইয়াত যথেষ্ট নমনীয় পদ্ধতিৰে মত বিনিময় হয়। এই ধৰণৰ সাক্ষাৎকাৰক আৰিষ্কাৰমূলক বা নিৰ্দেশাত্মক মত বিনিময় বুলিও কোৱা হয়।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** গৱেষকৰ মনলৈ অহা ভাব অনুসৰিহে অৰ্ধ সংগঠিত সাক্ষাৎকাৰৰ প্ৰণালী নিৰ্ধাৰণ হয়। এনেধৰণৰ সাক্ষাৎকাৰত সাক্ষাৎকাৰদাতাই শুধিবলগীয়া প্ৰশ্নৰ এখন তালিকা